# অধ্যায় ১২ ঃ অৰ্থতত্ত্ব

## অধ্যায় গাঁথনি


১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ অৰ্থতত্ত্ব

১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৫ অধিক জানিবলৈ

১২.৬ অগ্ৰগতিৰ খতিয়ান

১২.৭ আৰ্হি প্ৰশ্ন


## ১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ অৰ্থতত্ত্বৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব
- অৰ্থ বিশ্লেষণৰ ধাৰা শ্ৰেণী বিভাজন কৰি দেখুৱাব পাৰিব
- অৰ্থৰ প্ৰকাৰ, অৰ্থ পৰিৱৰ্তনৰ ধাৰা, অৰ্থ পৰিৱৰ্তনৰ কাৰণ জানিব পাৰিব
- শব্দৰ গাঁথনিক দিশ অনুসৰি অৰ্থগত সম্পৰ্ক নিৰ্ণয় কৰিব পাৰিব
- ভাষাভেদে অৰ্থৰ উপাদানো বিচাৰ কৰিব পাৰিব।

## ১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি ৰূপতত্ত্বৰ লগত সম্পৰ্কিত দিশসমূহৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এইটো অধ্যায়ত আমি অৰ্থতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰিম।

আপোনালোকে এটা কথা নিশ্চয় জানে যে মানুহে উচ্চাৰণ কৰা শব্দ আৰু তাৰ অৰ্থৰ মাজত দৰাচলতে কোনোধৰণৰ সম্পৰ্ক নাথাকে। শব্দত অৰ্থসমূহ প্ৰকৃততে আৰোপ কৰাহে হয় আৰু পৰম্পৰাগতভাৱে সেই শব্দসমূহ ব্যৱহাৰ কৰি অহাৰ ফলত সেই আৰোপিত অৰ্থসমূহেই স্থায়ী অৰ্থ বহন কৰে আৰু মানুহে নিজৰ পূৰ্বজ্ঞানৰ জৰিয়তে ভাষাটো বুজি উঠে। ভাষাভেদে শব্দত আৰোপ কৰা এনে অৰ্থ বেলেগ বেলেগ হয়। সেয়ে একোটা নিৰ্দিষ্ট বস্তুক বুজাবৰ বাবে বেলেগ বেলেগ ভাষাত বেলেগ বেলেগ শব্দ প্ৰয়োগ কৰা হয়। উদাহৰণস্বৰূপে— অসমীয়াত ‘মানুহ’ বুলি কওঁতে আমাৰ সন্মুখত যিখন ছবি ভাহি উঠে, সেই একেখন ছবি ইংৰাজীৰ ‘man’ আৰু হিন্দী ভাষাৰ ‘আদ্‌মী’ বুলি কওঁতেও ভাহি উঠিছে। গতিকে দেখা যায়, যদিহে শব্দ আৰু অৰ্থৰ মাজত এটা নিৰ্দিষ্ট সম্পৰ্ক থাকিলেহেঁতেন তেতিয়া পৃথিৱীৰ সকলো ভাষাই একে

হ'লহেঁতেন। আপোনালোকে এই অধ্যায়টিত ভাষাৰ অৰ্থ সম্পৰ্কীয় তাত্ত্বিক দিশসমূহ অধ্যয়ন কৰাৰ লগতে অৰ্থ বিশ্লেষণৰ ধাৰা আৰু তাৰ অন্তনিৰ্হিত বিষয়বোৰ জানিব পাৰিব।

## ১২.৩ অৰ্থতত্ত্ব

অৰ্থবিজ্ঞান বা অৰ্থতত্ত্ব ভাষা-বিজ্ঞান অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ স্তৰ। ভাষাৰ মৌলিক উপাদান ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থৰ তাত্ত্বিক আৰু প্ৰণালীবদ্ধ আলোচনাই হৈছে ভাষা-বিজ্ঞান। গতিকে অৰ্থবিজ্ঞানৰ আলোচনা অবিহনে ভাষা-বিজ্ঞানৰ আলোচনা আধৰুৱা। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ আলোচনাত যিদৰে ভাষাত প্ৰয়োগ হোৱা ধ্বনি, ৰূপ, বাক্যৰ অন্তৰ্গত দিশসমূহ তাত্ত্বিক আৰু প্ৰায়োগিক ক্ষেত্ৰত পুঙ্খানুপুঙ্খ বিশ্লেষণ কৰি প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়, ঠিক সেইদৰে অৰ্থতত্ত্বৰ আলোচনাতো মানুহে ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰা বাক্যৰ অৰ্থ আৰু তাত প্ৰয়োগ কৰা শব্দৰ প্ৰসঙ্গ অনুযায়ী হোৱা বিভিন্ন অৰ্থৰ বিজ্ঞানসন্মত বিশ্লেষণ কৰা হয়। ইয়াকে কৰিবলৈ যাওঁতে ভাষাবিজ্ঞানীসকলে অৰ্থৰ অৰ্থ (the meaning of meaning), ভাব বিনিময়ৰ বিভিন্ন প্ৰণালীসমূহ সামৰি লয়। দৰাচলতে ক'বলৈ গ'লে অৰ্থৰ অবিহনে ভাষাৰ অন্যান্য উপাদানে ভাব প্ৰকাশ কৰিব নোৱাৰে। ভাবৰ সূচনা কৰে কেৱল অৰ্থই। অৰ্থৰ প্ৰধান কাম হৈছে— কোনো বস্তু বা বিষয় সম্পৰ্কে শব্দৰ জৰিয়তে বোধ জন্মোৱা, আমাৰ চাৰিওফালৰ বস্তুৰ প্ৰতি জ্ঞান আৰু ধাৰণা উপলব্ধি কৰোৱা, অভিজ্ঞতালব্ধ জ্ঞান আৰু মনোবৈজ্ঞানিক দিশৰ ব্যাখ্যা দাঙি ধৰা। উদাহৰণস্বৰূপে— অসমীয়া ভাষাত সাধাৰণতে অৰ্থ বুলি ক'লে মানুহে ব্যক্ত কৰা কোনো শব্দ, বাক্য অথবা বহলভাৱে ভাষাই যি ভাব বহন কৰে তাকে বুজা যায়; কিন্তু অন্য এটা অৰ্থত অসমীয়া ভাষাত অৰ্থ শব্দই টকা-পইচা, ধন-সম্পত্তি আদিকো বুজায়। দৰাচলতে কি প্ৰসংগত শব্দটো প্ৰয়োগ কৰা হৈছে, তাৰ ওপৰত নিৰ্ভৰ কৰিহে শব্দটোত আৰোপিত অৰ্থৰ সঠিক অৰ্থ স্পষ্ট হয়। প্ৰাণীৰ দেহত বিভিন্ন অংগসমূহৰ উপৰি প্ৰাণসঞ্চাৰ হোৱাৰ দৰে ভাষাসমূহতো ধ্বনি, ৰূপ, বাক্য আদি উপাদান থকাৰ উপৰি ভাষাৰ গঠন প্ৰণালীত অৰ্থইহে প্ৰাণসঞ্চাৰ কৰিব পাৰে বাবে কাত্যায়ন, পতঞ্জলি, ব্যাস আদি সংস্কৃত পণ্ডিতসকলে শব্দৰ অৰ্থক 'ভাষাৰ সাৰভাগ' বুলি অভিহিত কৰিছে।

ইংৰাজী Sementics শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে অৰ্থতত্ত্ব, অৰ্থবিজ্ঞান, শব্দাৰ্থতত্ত্ব, শব্দাৰ্থবিজ্ঞান, বাগতত্ত্ব আদি ভিন্ ভিন্ পৰিভাষা ভাষাবিজ্ঞানৰ অধ্যয়নত ব্যৱহাৰ কৰা হয়। গ্ৰীক ভাষাৰ বিশেষ্যৰূপ 'Sema' ৰ অৰ্থ হৈছে sign or signal (চিহ্ন বা সংকেত)। ইয়াৰ ক্ৰিয়াৰূপ 'Semains' যাৰ অৰ্থ হৈছে— Signal (সংকেত), 'mean' (অৰ্থ), 'signify' (ধাৰণা)। Semantics শব্দটোৰ অৰ্থ অতি ব্যাপক। ই কথা বা উক্তি (Speech) আৰু ভাষা (Language) উভয়কে সামৰি লয়। *The Shorter Oxford Dictionary*-এ শব্দৰ অৰ্থ এনেদৰে ব্যাখ্যা কৰিছে— চিনাক্তকৰণৰ লগত সম্বন্ধ অৰ্থাৎ অৰ্থৰ সম্পৰ্ক (as relating, to signification or meaning)। গতিকে অৰ্থতত্ত্ব হৈছে ভাষা-বিজ্ঞানৰ এনে এটা দিশ; যিয়ে বক্তব্য আৰু বিষয়ৰ লগত সম্পৰ্ক গঢ়ি তুলি দুয়োটাৰে মাজত এটা ধাৰণা জন্মায়। এক কথাত ক'বলৈ গ'লে, আমাৰ

চাৰিওফালৰ পাৰিপাৰ্শ্বিক জগতখনৰ লগত শব্দ আৰু অৰ্থই চিহ্ন আৰু প্ৰতীক ৰূপে কাম কৰে আৰু ভাষাৰ গাঁথনিক ৰূপৰ বাহ্যিক জগতৰ লগত সম্পৰ্ক বিচাৰ আৰু তাৰদ্বাৰা কিদৰে ভাব বিনিময় হয় তাৰ বিশ্লেষণেই হ'ল অৰ্থবিজ্ঞানৰ মূল উদ্দেশ্য।


- **অৰ্থৰ স্বৰূপ ঃ** অৰ্থৰ স্বৰূপ নিৰ্ণয় কৰাটো এক জটিল কৰ্ম। কেৱল ভাষাবিজ্ঞানীসকলেই নহয়; প্ৰাচীন কালৰেপৰা দাৰ্শনিক, মনোবিজ্ঞানী, বৈজ্ঞানিক, সাহিত্য-সমালোচক, আলংকাৰিক আদি বিভিন্ন পণ্ডিতে বিভিন্ন দৃষ্টিকোণেৰে অৰ্থৰ অৰ্থ বিচাৰ কৰি ইয়াৰ স্বৰূপ নিৰ্ণয়ৰ যত্ন কৰিছে। সংস্কৃত পণ্ডিত ভৰ্তৃহৰিয়ে তেওঁৰ *বাক্য পদীয়*ত অৰ্থ সম্পৰ্কে উল্লেখ কৰিছে এনেদৰে—

  যস্মিস্তুচ্চৰিতে শব্দে যদা যোহাৰ্থঃ প্ৰতীয়তে
  তমাহুৰৰ্থ তসৈৰ নানাৰ্থস্য লক্ষণম।

  অৰ্থাৎ "শব্দ উচ্চাৰণ কৰোঁতে যি ধাৰণা হয়, সেয়ে তাৰ অৰ্থ। অৰ্থৰ অন্য কোনো বেলেগ লক্ষণ নাথাকে।"

  ইংৰাজ ভাষাবিদ তথা দাৰ্শনিক Charles Kay Ogden (C.K. Ogden) আৰু Ivor Armstrong Richards ( I.A. Richards) নামৰ পণ্ডিত দুগৰাকীয়ে তেওঁলোকৰদ্বাৰা ৰচিত *The Meaning of Meaning* নামৰ গ্ৰন্থত বিভিন্ন দৃষ্টিকোণৰ ওপৰত ভিত্তি কৰি অৰ্থ শব্দৰ বাইশটা অৰ্থৰ কথা উল্লেখ কৰিছে। Ogden আৰু Richards-এ চিহ্ন, ভাব বা ধাৰণা আৰু সূচিত — এই তিনিটা বিষয়ৰদ্বাৰা গঠিত এটা ত্ৰিভূজৰ জৰিয়তে অৰ্থৰ ব্যাখ্যা আগবঢ়াইছে, যাক অৰ্থ ত্ৰিভূজ (Semiotic Triangle) নামকৰণ কৰা হৈছে। তলত এই ৰেখাচিত্ৰটো উল্লেখ কৰা হ'ল।

**চিত্ৰ ১২.১ — অৰ্থ ত্ৰিভূজ**




তেওঁলোকৰ মতে, ধ্বনি, শব্দ, বাক্য আদি ভাষাগত উপাদানবোৰ হৈছে একপ্ৰকাৰৰ চিহ্ন। বাহ্য জগতৰ বস্তুসমূহ হৈছে সূচিত বিষয় । অৰ্থই সূচিত বিষয় সম্পৰ্কে চিহ্নৰ জৰিয়তে মানুহৰ মনত ভাব বা ধাৰণাৰ সূচনা কৰে। দৰাচলতে বাহ্য জগতৰ বস্তুৰ লগত ভাষাৰ কোনো পোনপটীয়া সম্পৰ্ক নাই। বাহ্য জগতৰ বস্তু বা বিষয়ৰ লগত ভাব বা ধাৰণাৰ জৰিয়তেহে শব্দৰ বা বাক্যৰ সম্পৰ্ক স্থাপন হয়। অৰ্থ ত্ৰিভূজ অনুসৰি চিহ্ন বা ভাষাগত উপাদান আৰু ভাব বা ধাৰণাৰ মাজত থকা সম্পৰ্ক মূলতঃ মনস্তাত্ত্বিক কাৰণ। যেতিয়াই মানুহে কোনো

এটা শব্দ বা বাক্য উচ্চাৰণ কৰে তাৰ লগে লগে মনত এটা ধাৰণাৰ উদ্ৰেক হয়। ভাষাবিজ্ঞানী ব্লুমফিল্ডৰ মতে, বক্তা আৰু শ্ৰোতাৰ বস্তুৰ সম্পৰ্কে পূৰ্বজ্ঞান নাথাকিলে বক্তা আৰু শ্ৰোতাৰ মাজত ভাব বিনিময় অসম্ভৱ। দৰাচলতে ধ্বনি, ধাৰণা, বস্তু কোনোটোৱেই ভাষা নহয়। ভাষাবিজ্ঞানৰ বিশেষ পদ্ধতিৰদ্বাৰা ভাষাৰ উপাদানসমূহ বাছি উলিয়াই সিহঁতৰ লগত অৰ্থৰ সম্পৰ্ক স্থাপন কৰা হয়। শব্দ, ৰূপ, বাক্য বা আন মাধ্যমেৰে মানুহে মনৰ ভাব প্ৰকাশ কৰে আৰু সেই ভাব অৰ্থপূৰ্ণ হ'লেই ভাষাৰূপে স্বীকৃতি দিয়া হয়। গতিকে ভাষা হ'বলৈ হ'লে অৰ্থপূৰ্ণ হ'বই লাগিব। কেইটামান কথাৰ ওপৰত ভিত্তি কৰি মানুহৰ মনত ভাব বা ধাৰণা গঢ় লৈ উঠে। সেইকেইটা হ'ল—

- ➢ কোনো ভাষাৰ ভাষাগত ৰূপ; যেনে— শব্দ, বাক্য আৰু এইবোৰত আৰোপিত অৰ্থ।
- ➢ বাস্তৱ জগতৰ বস্তু আৰু সেইবোৰৰ আকৃতি, প্ৰকৃতি।
- ➢ অবয়বসহ একক স্থিতি।
- ➢ স্বাভাৱিক লক্ষণ সাৰ্বজনীনতা।

C.K. Ogden আৰু I.A. Richards এ ত্ৰিভূজৰ সহায়ত দাঙি ধৰা বিশ্লেষণ, চচ্যুৰে ভাষাবিজ্ঞানত আগবঢ়োৱা অৰ্থ বিশ্লেষণৰ ধাৰণাৰ ওপৰত নিৰ্ভৰশীল।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** অৰ্থ ত্ৰিভূজৰ ধাৰণাটো কোনে কোনে ক'ত উল্লেখ কৰি গৈছে?

...............................................................................

...............................................................................

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সাধাৰণতে দুটা দৃষ্টিভংগীৰে অৰ্থৰ বিশ্লেষণ কৰা হয়— (ক) ঐতিহাসিক (Historical) আৰু (খ) বৰ্ণনাত্মক বা গঠনাত্মক (Structural)। ঐতিহাসিক দৃষ্টিভংগীৰে শব্দৰ অৰ্থৰ বিশ্লেষণ কৰোঁতে ঘাইকৈ অৰ্থৰ সংজ্ঞাৰ লগতে অৰ্থৰ প্ৰকাৰ, সময়ে সময়ে হোৱা অৰ্থৰ পৰিৱৰ্তন, অৰ্থ পৰিৱৰ্তনৰ অন্তৰালত থকা বিভিন্ন কাৰণ,নতুন শব্দৰ সৃষ্টি আদি বিষয়সমূহ ঐতিহাসিক প্ৰেক্ষাপটত বিচাৰ কৰি চোৱা হয়। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

- **অৰ্থৰ প্ৰকাৰ ঃ** শব্দ বা বাক্যৰ মাধ্যমেৰে বক্তাই মনৰ ভাব প্ৰকাশ কৰোঁতে কেতিয়াবা আভিধানিক অৰ্থ প্ৰেৰণ নকৰি অন্য অৰ্থহে প্ৰেৰণ কৰে। ঠিক একেদৰে শ্ৰোতায়ো কেতিয়াবা বক্তাৰ প্ৰেৰিত অৰ্থ গ্ৰহণ নকৰি কেতিয়াবা তাৰ বিপৰীত অৰ্থহে গ্ৰহণ কৰে। ইয়াৰ মূল কাৰণ হৈছে, বক্তাই প্ৰেৰণ কৰা বাক্যত হোৱা শব্দৰ সংযোজনৰ ওপৰত শ্ৰোতাৰ অৰ্থ গ্ৰহণ নিৰ্ভৰশীল। সেয়েহে শব্দৰ সংযোজনৰ ওপৰত নিৰ্ভৰ কৰি অৰ্থ বিভিন্ন ধৰণৰ হ'ব পাৰে। সেইসমূহৰ ভিতৰত—

- ➢ অভিধেয় অৰ্থ (Conceptual meaning)
- ➢ লক্ষ্যাৰ্থ (Connotative meaning)
- ➢ ব্যঙ্গাৰ্থ (Non-natural meaning)
- ➢ আনুভূতিক অৰ্থ (Emotive meaning)
- ➢ উদ্দিষ্টাৰ্থ (Thematic meaning) আদি।

➢ *অভিধেয় অৰ্থ ঃ* বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ পৰস্পৰৰ লগত পৰস্পৰৰ সম্পৰ্ক স্থাপন কৰি বক্তাই মনৰ অভিপ্ৰায় প্ৰকাশ কৰাকে অভিধেয় অৰ্থ বোলে। সাধাৰণভাৱে বক্তাই উচ্চাৰণ কৰা শব্দবোৰে বাহ্যিক জগতৰ লগত সম্পৰ্ক থকা দৃশ্যমান অথবা দৃশ্যমান নোহোৱা সকলো ধৰণৰ আভিধানিক অৰ্থ সূচনা কৰা বস্তুৰ ভাবচিত্ৰ এখন শ্ৰোতাৰ সন্মুখত আনি দিয়ে। অৱশ্যে এই ক্ষেত্ৰত শ্ৰোতাৰ পূৰ্বজ্ঞান থকাটো অত্যাৱশ্যকীয়। অৰ্থবিজ্ঞানত ভাষাৰ অভিধেয় অৰ্থ বিশ্লেষণেই হৈছে মুখ্য বিষয়। উদাহৰণস্বৰূপে— 'গৰু' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে ঘৰচীয়া চাৰিঠেঙীয়া জন্তুটোৰ কথা মনলৈ আহে। ইয়ে হৈছে শব্দৰ অভিধেয় অৰ্থ।

➢ *লক্ষ্যাৰ্থ ঃ* বক্তাই উচ্চাৰণ কৰা শব্দ বা বাক্যবোৰে সূচনা কৰা অভিধেয় অৰ্থৰ উপৰি কেতিয়াবা তাৰ লক্ষণা গুণৰ বাবে শ্ৰোতাৰ মনলৈ অন্য এটা ভাব আনি দিয়ে; তেনে অৰ্থকে লক্ষ্যাৰ্থ বোলা হয়। এনে ক্ষেত্ৰত অভিধেয় অৰ্থৰ সলনি লক্ষণা গুণটোহে মুখ্য হৈ পৰে। উদাহৰণস্বৰূপে— 'এই গাধবোৰক পঢ়াই একো লাভ নাই' বাক্যটোত 'গাধবোৰক' অৰ্থাৎ গাধ নামৰ চাৰিঠেঙীয়া সাধাৰণতে বোজা কঢ়িওৱা জন্তুবোৰক বুজোৱা নাই। কিয়নো সেই জন্তুবিধক স্বাভাৱিকতেই কোনেও পঢ়ুৱাবলৈ নাযায়। পঢ়াৰ সম্পৰ্ক সদায় ছাত্ৰ-ছাত্ৰীৰ লগতহে থাকে। গতিকে বক্তাই গাধবোৰ বুলি কওঁতে শ্ৰোতাই মূৰ্খ অথবা পঢ়াৰ ক্ষেত্ৰত দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ অৰ্থহে গ্ৰহণ কৰিব লাগিব। এনেদৰে 'গাধবোৰ' শব্দৰ অভিধেয় অৰ্থৰ সলনি তাৰ লগত সম্পৰ্ক জড়িত কৰি বুজোৱা অৰ্থ 'মূৰ্খ ছাত্ৰ-ছাত্ৰীবোৰ'-এ গ্ৰহণ কৰা অৰ্থটোৱে হৈছে লক্ষ্যাৰ্থ। সাধাৰণতে বক্তাই আভিধানিক অৰ্থৰ সলনি অন্য কোনো অভিপ্ৰায়ত প্ৰয়োগ কৰিবলৈ হ'লে অভিধেয় অৰ্থৰ ঠাইত তাৰ লক্ষণা গুণযুক্ত শব্দৰ জৰিয়তে লক্ষ্যাৰ্থৰ ভাব প্ৰকাশ কৰে।

➢ *ব্যঙ্গাৰ্থ ঃ* বাক্যত ব্যৱহৃত শব্দবোৰে কেতিয়াবা অভিধেয় অৰ্থ আৰু লক্ষ্যাৰ্থই ঢুকি নোপোৱা অন্য ভাবো প্ৰকাশ কৰিব পাৰে। এনে অৰ্থকে ব্যঙ্গাৰ্থ বোলা হয়। উদাহৰণস্বৰূপে— ঘৰৰ গৃহস্থজনে যদি ঘৰৰ সকলোৱে শুনাকৈ সকীয়াই কয়, "হেৰ, চৰাই-চিৰিকটি বাহত সোমাল"; তেতিয়া ঘৰৰ গৃহিণীয়ে বুজিব যে, গধূলি হ'ল ৰান্ধনী ঘৰত সোমাবলৈ গা-ধুবৰ হ'ল অথবা গধূলি হ'ল, লেম্প-চাকি জ্বলাবৰ হ'ল। চোতালত খেলি থকা ল'ৰা-ছোৱালীয়ে বুজিব যে, খেলা সামৰি মুখ-হাত ধুই কিতাপ ল'বৰ হ'ল। 'চৰাই-চিৰিকটি বাহত সোমাল' বাক্যটোৱে নিজ খাদ্যৰ সন্ধানৰ বাবে ওলাই যোৱা চৰাই-চিৰিকটি বাহত সোমোৱা যি অৰ্থ বহন কৰিছে সেয়া হৈছে অভিধেয় বা মুখ্য অৰ্থ।

অন্যহাতে 'ৰান্ধনী ঘৰত সোমাবলৈ গা-ধুবৰ হ'ল', 'গধূলি হ'ল লেম্প-চাকি জ্বলাবৰ হ'ল', 'খেলা সামৰি মুখ-হাত ধুই কিতাপ ল'বৰ হ'ল' আদি নিৰ্দিষ্ট পৰিৱেশত খাপ খোৱা যিকেইটা অৰ্থ পোৱা গ'ল সেইকেইটা মুখ্য অভিধেয় অৰ্থৰ লগত কোনো সম্পৰ্ক নাই, তথাপি উল্লিখিত বাক্যটোৱে সেই অৰ্থসমূহো বহন কৰিছে। এনেদৰে অভিধেয় অৰ্থৰ উপৰি তাৰ লগত সম্পৰ্ক নথকা অন্য নতুন অৰ্থ প্ৰকাশ কৰাটোৱে হৈছে ব্যঙ্গাৰ্থ।

➢ *আনুভূতিক অৰ্থ ঃ* আনুভূতিক অৰ্থ বক্তা আৰু শ্ৰোতাৰ সংস্কাৰৰ ওপৰত নিৰ্ভৰশীল। কিছুমান শব্দ এনেয়ে সাধাৰণ অৰ্থবাচক যদিও সংস্কাৰৰ বাবে শ্ৰোতাৰ অনুভূতিক আঘাত কৰিব পাৰে। জাত-পাত বুজোৱা শব্দ, অশ্লীল শব্দ, আৰ্থিক বৈষম্যসূচক শব্দ আদি এনেধৰণৰ।

➢ *উদ্দিষ্টাৰ্থ ঃ* যেতিয়া বক্তাই কোনো নিৰ্দিষ্ট ভাব বা বিষয়ৰ ওপৰত গুৰুত্ব দি কোনো শব্দ বা বাক্য উচ্চাৰণ কৰে, তেনে অৰ্থকে উদ্দিষ্টাৰ্থ বোলা হয়। উদাহৰণস্বৰূপে—

(ক) তুমি আজি আহিবা।

(খ) তুমি আজিয়েই আহিবা।

ওপৰৰ দুয়োটা বাক্য প্ৰায় একে যেন লাগিলেও দুয়োটা বাক্যৰ অৰ্থ বেলেগ ধৰণেৰে প্ৰকাশ পাইছে। প্ৰথম বাক্যত দ্বিতীয় পুৰুষজন আজি অহাৰ ভাব প্ৰকাশ পাইছে; কিন্তু দ্বিতীয়টো বাক্যত দ্বিতীয় পুৰুষজন অন্য দিনা নহয় 'আজিয়েই' অহাৰ কথা প্ৰকাশ পাইছে। সাধাৰণতে বাক্যত প্ৰয়োজন অনুসৰি সুৰ, সুৰ লহৰ, শ্বাসাঘাত আদি প্ৰয়োগ কৰি সাধাৰণ ভাবপ্ৰকাশক বাক্য এটাক উদ্দিষ্টাৰ্থসূচক বাক্যলৈ পৰিণত কৰিব পাৰি।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২ ঃ** লক্ষ্যাৰ্থ কাক বোলে?

..........................................................................................

..........................................................................................

- **অৰ্থ পৰিৱৰ্তনৰ ধাৰা ঃ** পৰিৱৰ্তনশীল সময়ৰ লগে লগে যিদৰে ভাষাৰো পৰিৱৰ্তন হয়, সেইদৰে ভাষাৰ উপাদানসমূহৰ ঘাইকৈ ধ্বনিৰ উচ্চাৰণ, শব্দৰ অৰ্থ আদিতো পৰিৱৰ্তনে ধৰা দিয়ে আৰু স্বাভাৱিকতেই ভাষাৰ বিচাৰ-বিশ্লেষণতো পৰিৱৰ্তন আহি পৰে। ভাষাত ব্যৱহৃত শব্দৰ অৰ্থত হোৱা পৰিৱৰ্তনকে অৰ্থ পৰিৱৰ্তন বোলা হয়। অৰ্থ পৰিৱৰ্তন ভাষিক পৰিৱৰ্তনৰ মহত্বপূৰ্ণ প্ৰক্ৰিয়া বুলি ক'ব পাৰি।

বিভিন্ন কাৰণত শব্দৰ নিৰ্দিষ্ট অৰ্থৰ পৰিৱৰ্তন হোৱা দেখা যায়। ভাষা এটা শুদ্ধকৈ ব্যৱহাৰ কৰিবলৈ হ'লে, বিশেষকৈ শব্দ এটা শুদ্ধকৈ প্ৰয়োগ কৰিবলৈ হ'লে অৰ্থৰ পৰিৱৰ্তনৰ ইতিহাস জনাটো অতি প্ৰয়োজন। মানুহে কেতিয়াবা নজনাকৈ শব্দৰ অৰ্থ আৰোপ কৰে।

এনেদৰে আৰোপ কৰোঁতে কেতিয়াবা শব্দৰ অৰ্থৰ পৰিসৰ বহল হয়, কেতিয়াবা সংকুচিত হয় আৰু কেতিয়াবা সম্পূৰ্ণ বেলেগ ধৰণেৰে অৰ্থ আৰোপ কৰে। আকৌ ভৌগোলিক, সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক পৰিৱৰ্তনে শব্দৰ অৰ্থতো পৰিৱৰ্তন ঘটায়। শব্দতাত্ত্বিক দিশৰপৰাও অৰ্থৰ পৰিৱৰ্তন ঘটে। আলংকাৰিক প্ৰয়োগত, ব্যুৎপত্তিগত অজ্ঞানতাৰ বাবে অথবা কেতিয়াবা নতুন সন্দৰ্ভ বা নতুন ধাৰণাৰ অৱতাৰণা কৰিবলৈ প্ৰয়োগ কৰা শব্দৰ ক্ষেত্ৰত অৰ্থৰ পৰিৱৰ্তন আহে। শব্দৰ এনেধৰণৰ পৰিৱৰ্তন অতি বৈচিত্ৰ্যপূৰ্ণ। শব্দৰ অৰ্থৰ পৰিৱৰ্তনক মূলতঃ তিনিপ্ৰকাৰে ভাগ কৰিব পাৰি, যাক অৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা বুলি কোৱা হয়। সেয়া হৈছে— (ক) অৰ্থ বিস্তাৰ (Expansion of meaning), (খ) অৰ্থ সংকোচ (Contraction of meaning), (গ) অৰ্থ সংশ্লেষ (Transference of meaning)।

- *অৰ্থবিস্তাৰ ঃ* কোনো শব্দৰ অৰ্থই বিস্তাৰিত ৰূপ পোৱাকে অৰ্থবিস্তাৰ বোলা হয়। পূৰ্বতে সীমিত আৰু কোনো নিৰ্দিষ্ট বস্তুক বুজোৱা কিছুমান শব্দাৰ্থই সময়ৰ লগে লগে তাৰ সীমিত পৰিসৰ অতিক্ৰমি ব্যাপক অৰ্থ প্ৰকাশ কৰিবলৈ লোৱা দেখা যায়। শব্দৰ এনে পৰিৱৰ্তনকে অৰ্থৰ বিস্তাৰ ঘটা বুলি কোৱা হয়। যেনে—'প্ৰৱীণ' শব্দই পোনতে বীণা বজোৱাত পাৰ্গত লোককহে বুজাইছিল; কিন্তু বৰ্তমান সময়ত যিকোনো কাম নিপুণভাৱে কৰিবপৰা জেষ্ঠ লোককে প্ৰৱীণ আখ্যা দিয়া হয়। যেনে— প্ৰৱীণ খেলুৱৈ, প্ৰৱীণ সাহিত্যিক আদি। ঠিক সেইদৰে, সংস্কৃতৰ 'গোষ্ঠী' শব্দই গাই-গৰুৰ জাক, গোশাল তেনে অৰ্থহে বহন কৰিছিল; কিন্তু সম্প্ৰতি গোট বা দল অৰ্থকো ই সাঙুৰি লৈছে। যেনে— কবিগোষ্ঠী, দাৰ্শনিক গোষ্ঠী আদি। একেদৰে, 'বুৰঞ্জী' শব্দটোৱে আহোম ৰজাসকলৰ দিনত ৰাজনৈতিক ঘটনাৱলী, লিপিবদ্ধ কৰি ৰখা পুথিসমূহক বুজাইছিল; কিন্তু বৰ্তমান 'বুৰঞ্জী' শব্দটোৰ পৰিসৰ বৃদ্ধি কৰা হ'ল। যেনে— ভাষাৰ বুৰঞ্জী, সাহিত্যৰ বুৰঞ্জী, সংস্কৃত সাহিত্যৰ বুৰঞ্জী, অসম বুৰঞ্জী, ভাৰত বুৰঞ্জী, অৰ্থনৈতিক বুৰঞ্জী আদি।
- *অৰ্থসংকোচ ঃ* কোনো শব্দৰ অৰ্থৰ ক্ষেত্ৰ সীমিত হোৱা অৰ্থাৎ ব্যাপক অৰ্থ প্ৰকাশ কৰা কোনো শব্দই সময়ৰ লগে লগে তাৰ সীমিত অৰ্থ প্ৰকাশ কৰাই হৈছে অৰ্থসংকোচ। অৰ্থসংকোচ অৰ্থবিস্তাৰৰ ঠিক ওলোটা প্ৰক্ৰিয়া। ইয়াত অৰ্থৰ ক্ষেত্ৰৰ পৰিৱৰ্তন নহয়, কিন্তু অৰ্থই পূৰ্বতে সামৰি লোৱা পৰিসৰ সংকুচিত হয়। এটা সময়ত কিছুমান শব্দৰ অৰ্থই যথেষ্ট বহল পৰিসৰক সামৰি লৈছিল; কিন্তু পৰৱৰ্তী সময়ত বিভিন্ন কাৰণত বিভিন্ন পৰিস্থিতিত সেই শব্দই ঠেক গণ্ডীত অৰ্থ প্ৰকাশ কৰিবলৈ লয়। সেয়াই অৰ্থসংকোচ।

  সংস্কৃত ভাষাত 'মৃগ' শব্দই সকলো পশুকে বুজাইছিল। গছৰ ডালত বহা মৃগৰ ৰূপত থকা বান্দৰক 'শাখামৃগ' বুলি কোৱা হৈছিল। পশুৰ ভিতৰত ৰজা অৰ্থাৎ সিংহক বুজাবলৈ মৃগ+ইন্দ্ৰ=মৃগেন্দ্ৰ শব্দ ব্যৱহাৰ কৰা হৈছিল। সেইদৰে 'মৃগ' শব্দৰপৰা সৃষ্ট 'মৃগয়া' শব্দই পশু চিকাৰ কৰা অৰ্থক বুজায়। বৰ্তমান পশুৰ পৰ্যায়বাচী হিচাপে সৃষ্ট 'মৃগ' শব্দই অসমীয়াত অন্য পশুক বাদ দি কেৱল 'হৰিণ'কহে বুজায়। সেইদৰে 'সন্ধ্যা'

শব্দই সন্ধিকাল অৰ্থাৎ ৰাতিপুৱা, দুপৰীয়া, আবেলি, গধুলি আদি সকলো সময়ৰ সন্ধিকালক বুজা গৈছিল; কিন্তু এতিয়া কেৱল আবেলি আৰু ৰাতিৰ সন্ধিকালটোকহে বুজা যায়। ইংৰাজীৰ 'meat' শব্দই পূৰ্বতে যিকোনো আহাৰকে বুজাইছিল। বৰ্তমান ই কেৱল মাংসক বুজায়। গতিকে আলোচিত দুয়োটা শব্দৰ অৰ্থৰ সংকোচন ঘটিছে।

➢ *অৰ্থ সংশ্লেষ ঃ* সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজ আৰু সংস্কৃতিৰো পৰিৱৰ্তন হয়। সংস্কৃতিৰ পৰিৱৰ্তনৰ ফলত পূৰ্বতে ব্যৱহৃত কিছুমান বস্তুৰ ব্যৱহাৰ নোহোৱা হয়, সেইবোৰ বস্তুৰ বিলুপ্তি হয় আৰু নতুন বস্তুৰ আমদানি ঘটে। ফলস্বৰূপে কেতিয়াবা তেনে শব্দসমূহৰ অৰ্থ সংশ্লেষ হয় নতুবা সম্পূৰ্ণৰূপে নোহোৱা হৈ পৰে। উদাহৰণস্বৰূপে— বেজবৰুৱাৰ লেখনীত পোৱা 'কাপ-মৈলাম' শব্দৰ 'কাপ'ৰ অৰ্থ হৈছে 'কলম'; কিন্তু আজিকালিৰ ল'ৰা-ছোৱালীয়ে 'কাপ' শব্দটো কেৱল 'পিয়লা' (ইংৰাজীৰ cup) বুজাবলৈহে ব্যৱহাৰ কৰে। চাবলৈ গ'লে ইও একপ্ৰকাৰ অৰ্থসংকোচহে। অৰ্থসংকোচৰে কিছুমান শব্দই এটা সময়ত যি অৰ্থ প্ৰকাশ কৰিছিল সময়ৰ লগে লগে তাৰ অন্য অৰ্থ প্ৰকাশ কৰিবলৈ লোৱা দেখা যায়। অৰ্থৰ এনে পৰিৱৰ্তনকে অৰ্থ সংশ্লেষ বোলা হয়। যেনে— অসমীয়াত 'চহকী' শব্দই পোনতে চহ কৰা লোক অৰ্থাৎ খেতি কৰা লোকসকলক বুজাইছিল। বৰ্তমান এই শব্দটোৱে যিকোনো কৰ্মৰে উপাৰ্জিত ধন-সম্পত্তিৰে সমৃদ্ধ সকলো লোককে বুজায়। একেদৰে সংস্কৃত 'মহাজন' শব্দই ডাঙৰ মানুহ, বিখ্যাত পুৰুষ, মহান পুৰুষক বুজাইছিল। বৰ্তমান পুঁজিপতি লোককহে বুজোৱা হয়। আনকি গেলামালৰ দোকানী, মাটিৰ দালাল, বেপাৰী, যিকোনো ব্যৱসায়— গাখীৰৰ ব্যৱসায়, খৰিৰ ব্যৱসায়, ধানৰ ব্যৱসায় আদি কৰি ধন উপাৰ্জন কৰা লোককো 'মহাজন' আখ্যা দিয়া হয়।

উল্লিখিত তিনিটা ধাৰাৰ উপৰি অৰ্থ পৰিৱৰ্তনৰ আৰু কিছুমান ধাৰা লক্ষ্য কৰা যায়। সেইবোৰ হৈছে— অৰ্থোন্নতি, অৰ্থ অৱনতি, অৰ্থোৎকৰ্ষ, অৰ্থাপকৰ্ষ, অৰ্থান্তৰ আদি। অৰ্থোন্নতি মানে শব্দাৰ্থৰ উন্নতি ঘটা। অৰ্থবিস্তাৰ আৰু অৰ্থসংকোচত কিছুমান শব্দৰ অৰ্থৰ ক্ষেত্ৰ পৰিৱৰ্তন হয় আৰু অৰ্থোন্নতিত শব্দৰ অৰ্থৰ ক্ষেত্ৰ একেই থাকে কোনো পৰিৱৰ্তন নহয়; কিন্তু শব্দৰ অৰ্থগুণৰ পৰিৱৰ্তন হয়। ইয়াত প্ৰথম অৱস্থাত কোনো এটা শব্দত যি অৰ্থ আৰোপ কৰা হৈছিল, সেই অৰ্থ কালনিৰপেক্ষভাৱে বৰ্তি থাকে; কিন্তু সেই অৰ্থৰ স্তৰত কিছু পৰিৱৰ্তনে দেখা দিয়ে। এইধৰণৰ পৰিৱৰ্তন ধাৰণাত্মক হয়। পাৰ্চী-আৰবীত 'হাৰামজাদা' শব্দৰ অৰ্থ আছিল 'অবৈধ সন্তান'; 'বজ্জাত' (বদ+জাত) শব্দৰ অৰ্থ আছিল নীহকুলীয়; অসমীয়াত এই দুয়োটা শব্দৰ অৰ্থ উন্নত হৈ 'দুষ্ট' অৰ্থতহে ব্যৱহাৰ কৰা হয়। অৰ্থোন্নতিৰ মূল কাৰণ বিচাৰ কৰিলে সময়ৰ লগে লগে সামাজিক ধ্যান-ধাৰণা, ৰীতি-নীতি আৰু পৰম্পৰাত অহা পৰিৱৰ্তনে মুখ্য ভূমিকা গ্ৰহণ কৰে। সময়ৰ বিকাশৰ লগে লগে সামাজিক প্ৰমূল্য আৰু স্বীকৃতিতো পৰিৱৰ্তন আহি পৰে আৰু তেনে প্ৰমূল্য আৰু স্বীকৃতিয়ে শব্দৰ সৌন্দৰ্য বৃদ্ধি কৰে। আধুনিক চিন্তাধাৰাৰ বিকাশ, জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰগতি আদিয়েও সামাজিক ধ্যান-ধাৰণাত পৰিৱৰ্তন আনি দিয়ে। এনেদৰেই ঐতিহাসিক, সামাজিক, সাংস্কৃতিক

তথা বিজ্ঞানৰ প্ৰযুক্তিৰ বিকাশেই অৰ্থোন্নতিৰ মুখ্য কাৰণ বুলি ক'ব পাৰি।

অৰ্থোন্নতিৰ বিপৰীত প্ৰক্ৰিয়াই অৰ্থৰ অৱনতি। অৰ্থৰ অৱনতিও সামাজিক মূল্য আৰু সামাজিক স্বীকৃতিৰ পৰিৱৰ্তনৰ পৰাই নিৰ্ধাৰণ কৰা হয়। শিক্ষাৰ বিকাশ, ৰাজনৈতিক পদ্ধতি বা প্ৰক্ৰিয়াৰ পৰিৱৰ্তন, অন্য সামাজিক ব্যৱস্থাৰ সৈতে থকা সম্পৰ্ক, জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ, সমাজক নিয়ন্ত্ৰিত কৰা সামাজিক বৰ্গৰ অস্তিত্বৰ বাবে অহা পৰিৱৰ্তন তথা ঐতিহাসিক প্ৰসংগত সামাজিক ধাৰণাত অহা সহজ স্বাভাৱিক অন্তৰায় আদি কাৰণৰ পৰাই শব্দৰ অৰ্থৰ অৱনতি ঘটে। 'ধুৰন্ধৰ' শব্দই শ্ৰেষ্ঠ বা প্ৰধান অৰ্থ প্ৰকাশ কৰিছিল; কিন্তু অৰ্থৰ অৱনতি ঘটি অসমীয়াত লম্পট, দগাবাজ, দুষ্ট লোককহে বুজাবলৈ ধৰিলে। সেইদৰে 'পাষণ্ড' শব্দৰ মৌলিক অৰ্থ আছিল 'ধৰ্মসম্প্ৰদায়' (অশোকৰ অনুশাসন)। কিন্তু সেই শব্দটোৱে পিছত বিৰুদ্ধ ধৰ্মসম্প্ৰদায়কহে বুজোৱা হ'ল; অৰ্থাৎ ধৰ্মজ্ঞানহীন, অত্যাচাৰী লোককহে বুজাবলৈ ধৰিলে।

অৰ্থোৎকৰ্ষ মানে অৰ্থৰ উৎকৰ্ষ হোৱা বুজা যায়। সময় অনুসৰি কোনো শব্দৰ অৰ্থৰ উদ্‌গতি হৈ গৈ থাকিলে তেনে শব্দাৰ্থক অৰ্থোৎকৰ্ষ বুলি কোৱা হয়। অৰ্থবিস্তাৰত অৰ্থৰ ক্ষেত্ৰৰ বিস্তাৰ সাধন হয় আৰু অৰ্থোন্নতিত আৰোপিত অৰ্থ সেই একেই ক্ষেত্ৰত সীমিত ৰূপত প্ৰয়োগ হৈও তাৰ অৰ্থৰ সৌন্দৰ্য বৃদ্ধি পায়; কিন্তু অৰ্থোৎকৰ্ষত ব্যক্ত শব্দৰ অৰ্থৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন সাধন হৈ নঞৰ্থক প্ৰসংগৰ সলনি সদৰ্থক প্ৰসংগত অৱতাৰণা কৰা হয়। কোনো শব্দই প্ৰকাশ কৰা হেয় বা নিন্দিত প্ৰসংগৰ অৰ্থক পৰিত্যাগ কৰি তাৰপৰা কোনো বেলেগ ভাল প্ৰসংগৰ অৰ্থ বুজাবলৈ প্ৰয়োগ কৰিলে অথবা পূৰ্বৰেপৰা চলি থকা কোনো বস্তুক বুজোৱা শব্দৰ ঠাইত অন্য যোগাত্মক অৰ্থ প্ৰকাশ কৰিবলৈ প্ৰয়োগ কৰা শব্দক প্ৰকৃতাৰ্থত ভাষাবিজ্ঞানৰ আলোচনাত অৰ্থোৎকৰ্ষ বুলি কোৱা হয়। উদাহৰণস্বৰূপে— সংস্কৃতত 'সাহস' শব্দই হত্যা, চুৰি, লুট, ব্যভিচাৰ আদি অৰ্থক বুজাইছিল; কিন্তু অসমীয়াত শৌৰ্য, বীৰ্য, ক্ষমতা আদিক বুজোৱা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে কোনো কোনো ভাষাবিদে অৰ্থোন্নতি আৰু অৰ্থোৎকৰ্ষক একেটা ৰূপৰ মাজতে আলোচনা কৰিছে যদিও এই দুয়োটাৰ মাজত সূক্ষ্ম প্ৰভেদ পৰিলক্ষিত হোৱা দেখা যায়।

সময়ৰ গতিত কোনো শব্দৰ অৰ্থগুণৰ অৱনতি হ'লে তাক অৰ্থাপকৰ্ষ বুলি কোৱা হয়। কোনো উত্তম বিষয় বা বস্তুক বুজোৱা শব্দই সময়ৰ সোঁতত হেয়, তুচ্ছ বা নঞৰ্থক ভাব প্ৰকাশ কৰিলে তেনে শব্দৰ অৰ্থৰ অৱনতি ঘটা বুলি মনা হয়। অৰ্থসংকোচত শব্দই বহন কৰা অৰ্থৰ পৰিসৰ সীমিত হয়। অৰ্থৰ অৱনতিত অৰ্থৰ ক্ষেত্ৰ সংকুচিত হোৱাৰ লগতে সামাজিক পৰিৱেশগত কাৰণত শব্দৰ অৰ্থৰ অৱনতি ঘটে। ইয়াতো অৰ্থৰ ক্ষেত্ৰ-পৰিৱৰ্তন হয় আৰু পৰিৱৰ্তিত অৰ্থই সদৰ্থক অৰ্থৰ সলনি নঞৰ্থক অৰ্থ বহন কৰে। এনেদৰেই শব্দই উত্তম অৰ্থক বাদ দি অৱনত অৰ্থক গ্ৰহণ কৰা প্ৰক্ৰিয়াকে শব্দতত্ত্বৰ আলোচনাত অৰ্থাপকৰ্ষ বুলিব পাৰি। সংস্কৃতত পোনতে 'জুগুপ্সা' শব্দই 'ৰক্ষা কৰা' বা 'পালন-পোষণ' কৰিবলৈ বিচৰা' অৰ্থ বুজোৱা হৈছিল পৰৱৰ্তী সময়ত ঘৃণা কৰা অৰ্থহে বুজাবলৈ ধৰে।

কোনো শব্দই নিজৰ নিৰ্দিষ্ট অৰ্থ সম্পূৰ্ণভাবে এৰি অন্য অৰ্থ গ্ৰহণ কৰা প্ৰক্ৰিয়াই হৈছে অৰ্থান্তৰ। অৰ্থৰ উন্নতি-অৱনতি, উৎকৰ্ষ-অপকৰ্ষ, বিস্তাৰ-সংকোচ আদি নিয়মসমূহ অৰ্থান্তৰৰ ক্ষেত্ৰত প্ৰয়োগ নহয়। শব্দই নিজৰ অৰ্থ এৰি পেলোৱাই অৰ্থান্তৰ। অসমীয়া ভাষাত অৰ্থান্তৰৰ উদাহৰণলৈ মন কৰিলে অসমীয়া জতুৱা খণ্ডবাক্যবোৰে বহুলাংশ আগুৰি আছে। যেনে— 'চকু' মানে শৰীৰৰ এক প্ৰকাৰৰ অংগ, যাৰ জৰিয়তে জীৱৰ চাৰিওকাষৰ পৰিৱেশ দৃষ্টিগোচৰ হয়। আনহাতে 'মুদা' মানে জাপ যোৱা। কিন্তু যেতিয়া 'চকু মুদা' বুলি কোৱা হয়, তেতিয়া মৃত্যু হোৱা, প্ৰাণ এৰাহে বুজা যায়। সেইদৰে 'হাত' মানে শৰীৰৰ একপ্ৰকাৰৰ অংগ। 'দীঘল' মানে জোখৰ এটা মাপ। কিন্তু 'হাতদীঘল' শব্দৰ অৰ্থ হৈছে ক্ষমতাশালী। ইয়াত এটাও মূল অৰ্থ ৰক্ষিত হোৱা নাই।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** অৰ্থসংকোচ মানে কি?

........................................................................................

**প্ৰশ্ন নং ৪ ঃ** অৰ্থোৎকৰ্ষ বুলিলে কি বুজে?

........................................................................................

- **অৰ্থ পৰিৱৰ্তনৰ কাৰণ ঃ** অৰ্থ পৰিৱৰ্তনৰ মূল কাৰণ বিচাৰ কৰিলে মানুহৰ মনোবৈজ্ঞানিক জগতখনৰপৰা আৰম্ভ কৰি সাংস্কৃতিক, ভৌগোলিক, ভৌতিক আদি বহু পৰিবেশৰ লগত এই কাৰণসমূহ জড়িত। সময়ৰ লগে লগে অন্যান্য ভাষা-ভাষীৰ প্ৰভাৱৰ ফলস্বৰূপে সামাজিক ধ্যান-ধাৰণা, ৰীতি-নীতি, মানুহৰ ৰুচিবোধ, নম্ৰতা প্ৰদৰ্শন, সংস্কাৰ, আলংকাৰিক প্ৰয়োগ আদিতো পৰিৱৰ্তন আহে। জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰগতিয়েও সামাজিক ধ্যান-ধাৰণাত পৰিৱৰ্তন আনি দিয়ে। সেই সকলো দিশেৰে পৰ্যবেক্ষণ কৰি ভাষাবৈজ্ঞানিকসকলে অৰ্থপৰিৱৰ্তনৰ কেইটামান কাৰণ উল্লেখ কৰিছে। সেয়া তলত আলোচনা কৰা হ'ল—
    - *পৰিৱেশজনিত কাৰণ ঃ* কেতিয়াবা সমাজৰ পৰিৱৰ্তন, স্থানৰ পৰিৱৰ্তন আদিৰ ফলত শব্দৰ অৰ্থৰো পৰিৱৰ্তন হয়। মানুহে জীৱিকাৰ পথ বিচাৰি এঠাইৰপৰা অন্য ঠাইলৈ প্ৰব্ৰজন কৰোঁতে সমাজৰো পৰিৱৰ্তন ঘটে। ফলত দৈনন্দিন জীৱনৰ লগত জড়িত বিভিন্ন ক্ষেত্ৰত বিভিন্ন নতুন শব্দৰ আগমন ঘটে। বৈদিক সংস্কৃতত বেদৰ স্তুতিগীতবোৰত 'উষ্ট্ৰ' শব্দই ম'হ বা মেথোনক বুজাইছিল, পাছলৈ এই 'উষ্ট্ৰ' শব্দৰপৰা সৃষ্টি হোৱা 'উট' শব্দই কেৱল মৰুভূমি অঞ্চলত মানুহে অহা-যোৱা কৰা বাহন হিচাপে ব্যৱহাৰ কৰা এবিধ জন্তুক বুজোৱা হ'ল। মানুহৰ প্ৰব্ৰজনৰ বাবেই এই শব্দৰ অৰ্থ পৰিৱৰ্তন হৈছে বুলিব পাৰি। ধৰ্মীয় আৰু সামাজিক পৰিৱেশত একেটা শব্দই মূল অৰ্থতকৈ অধিক অৰ্থ প্ৰকাশ কৰিব পাৰে। যেনে— ইংৰাজী 'father' শব্দৰ অসমীয়া অৰ্থ হৈছে 'দেউতা'; কিন্তু খ্ৰীষ্টান ধৰ্মীয় পৰিৱেশত ধৰ্মযাজকজনক 'father' বোলা হয় আৰু খ্ৰীষ্টান

শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানৰ মুৰব্বীজনক 'father' বুলিয়ে সম্বোধন কৰে। সমাজ পৰিৱৰ্তনৰ লগে লগে কিছুমান শব্দৰ অৰ্থয়ো পৰিৱৰ্তিত অৰ্থ বহন কৰে। আহোম যুগত বিশেষ বিষয়বাবৰ অধিকাৰী হিচাপে বৰফুকন, বৰগোঁহাই, হাজৰিকা, শইকীয়া আদি উপাধি প্ৰদান কৰা হৈছিল; কিন্তু আজিকালি সেইবোৰ শব্দ জন্মগতভাৱে লাভ কৰা কেৱল নামৰ পাছত লিখা একো একোটা উপাধিহে।

- *আলঙ্কাৰিক প্ৰয়োগ ঃ* বক্তব্য শুৱলা হ'বৰ বাবে মানুহে ভাষাত অলংকাৰ প্ৰয়োগ কৰে। এনে অলঙ্কাৰ প্ৰয়োগে শব্দৰ অৰ্থৰ পৰিৱৰ্তন ঘটায়। বহুক্ষেত্ৰত দেখা যায়, অলঙ্কাৰ প্ৰয়োগৰ ফলত যি পৰিৱৰ্তিত অৰ্থৰ সূচনা কৰে তাৰ লগত মূল অৰ্থৰ কোনো সম্পৰ্ক বিচাৰি পোৱা নাযায়। ভাষাভেদে এনে অলঙ্কাৰ ভিন ভিন। আলঙ্কাৰিক প্ৰয়োগে ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি কৰে আৰু তাৰ মাজতে মানুহৰ মনৰ সৌন্দৰ্যৰো প্ৰতিফলন ঘটে। যেনে—" আকস্মিক দুৰ্ঘটনাটোৰ খবৰ শুনি গোটেই চুবুৰীটোৱে কাঁহ পৰি জীণ গৈছে।" বাক্যটোৰ 'কাঁহ পৰি জীণ গৈছে' খণ্ডবাক্যটোৰ জৰিয়তে চুবুৰীটোৰ নিৰ্জনতাৰ কথাহে বুজাইছে। সেইদৰে, আকাশত চাং পতা, পানীৰ মিঠৈ, গাই বাই চা, ডলাৰ বগৰী, গা টঙা, গা লৰা আদি খণ্ডবাক্যবোৰে আক্ষৰিক অৰ্থ বা শব্দৰ প্ৰচলিত অৰ্থ বহন নকৰি অন্য একোটা বিশেষ ব্যঞ্জনা অৰ্থহে বহন কৰে যাৰ জৰিয়তে বক্তব্য অধিক আকৰ্ষণীয় কৰি তোলাত সহায়ক হয়।
- *নম্ৰতা প্ৰদৰ্শন ঃ* কেতিয়াবা নম্ৰতা প্ৰদৰ্শন কৰিবলৈ গৈও মূল শব্দৰ অৰ্থৰ পৰিৱৰ্তন হয়। বহুতো লোকে বিনয় ভাবত 'মই' ৰ পৰিৱৰ্তে 'আমি' ব্যৱহাৰ কৰে। পুৰণি কালত ৰজাৰ আগত প্ৰজাই নিজকে 'বন্দী' বুলি কৈ নম্ৰতা প্ৰদৰ্শন কৰে। সেইদৰে নিজৰ ঘৰটো সুন্দৰ আৰু স্থায়ী হ'লেও দৰিদ্ৰৰ ভগা পঁজা বুলি কৈ বিনয় প্ৰদৰ্শন কৰে। সেয়ে নিজৰ গৃহত আয়োজিত কোনো অনুষ্ঠানৰ নিমন্ত্ৰণী পত্ৰত 'দৰিদ্ৰৰ ভগা পঁজাত অকনমাণ পদধূলা পেলালে পৰম কৃতাৰ্থ হ'ম' বুলি ব্যক্ত কৰি নিমন্ত্ৰণী পত্ৰ আগবঢ়ায়।
- *সংস্কাৰজনিত কাৰণ ঃ* সামাজিক সংস্কাৰৰ বাবে কিছুমান শব্দ উচ্চাৰণ দোষণীয় বুলি ভবা হয়। ইয়াৰ ফলতো অৰ্থ পৰিৱৰ্তন হয়। অসমীয়া সমাজত ৰাতি 'হালধি' আৰু 'চূণ' বুলি উচ্চাৰণ নকৰে। কিছুমান দোকানীয়ে ৰাতি এই দুপদ বস্তু বিক্ৰী নকৰে; কিন্তু 'হালধি'ৰ সলনি 'ৰং' বা 'ৰংগুড়া' আৰু 'চূণ'ৰ সলনি 'বগা' বুলি খুজিলে দিয়াত আপত্তি নাই। সেইদৰে কিছুমান বস্তুৰ নাম আকৌ ৰাতি ল'ব নাপায় বুলি কয়। 'সাপ' তেনে এবিধ প্ৰাণী। সেয়ে ৰাতি মানুহে 'দীঘল' বুলি কয় আৰু কেনেবাকৈ সাপ বুলি উচ্চাৰণ কৰি পালেও 'আস্তিক' বুলি তিনিবাৰ উচ্চাৰণ কৰে।
- *সুভাষণ ঃ* মানুহে সমাজত কথা কওঁতে বা কোনো বিষয় ব্যক্ত কৰোঁতে কেতিয়াবা পোনপটীয়াকৈ নকৈ পৰিৱেশৰ লগত খাপ খোৱাকৈ শুনিবলৈ শুৱলা কৰি প্ৰকাশ কৰে। মৃত্যুৰ বাতৰি সকলোৰে বাবে যন্ত্ৰণাদায়ক। তেনে দুখজনক বাতৰি প্ৰকাশ কৰোঁতে মৰিল বুলি নকৈ মৃত্যু হ'ল, স্বৰ্গগামী হ'ল, ইহলীলা সম্বৰণ কৰিলে, অনন্তধামলৈ গতি

কৰিলে, পৰলোকলৈ গতি কৰিলে, নশ্বৰ দেহ ত্যাগ কৰিলে, কালে হৰি নিলে, যমে কাঢ়ি নিলে, চকু মুদিলে, হাড় পেলালে, মহানিদ্রাত পৰিলে আদি খণ্ডবাক্যসমূহ প্রয়োগ কৰে। সেইদৰে জোতা তৈয়াৰ কৰা মুচী, কাপোৰ চিলোৱা দৰ্জী, চুলিকটা নাপিত আদি লোকক বৃত্তিগত নামেৰে চিনাকি নিদি 'মিস্ত্রী' বুলি কোৱা হয়।

- *ভাবাবেগ ঃ* মনৰ উৎফুল্লতা, অনুভূতিৰ আতিশয্যৰ পৰাও শব্দৰ অৰ্থৰ পৰিৱৰ্তন ঘটে। ক্রোধ, ভয়, আনন্দ, বিৰক্তি আদি ভাবপ্রকাশক ভীষণ, ভয়ংকৰ, বিৰাট, প্রচণ্ড, প্রবল, বিয়াগোম, প্রকাণ্ড আদি শব্দই মূল অৰ্থতকৈ অতিৰঞ্জিত অৰ্থ প্রকাশ কৰে। যেনে— ভীষণ খং, ভয়ংকৰ আন্ধাৰ, বিৰাট আয়োজন, প্রবল বানপানী, প্রচণ্ড ধুমুহা, বিয়াগোম সাপ, প্রকাণ্ড ৰঙালাউ আদি। তদুপৰি অদ্ভুত আচৰণ, অসম্ভৱ কথা আদি শব্দ শুনিবলৈ যিমান ভয়ানক; কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত সিমান ভয়ানক নহয়।
- *অজ্ঞতাজনিত কাৰণ ঃ* কিছুমান শব্দৰ মূল অৰ্থ জ্ঞাত নোহোৱাৰ হেতু ভিন্ন অৰ্থ বুজাবৰ বাবে তেনে শব্দসমূহ প্রয়োগ কৰাৰ ফলত একোটা শব্দৰ অৰ্থ ভিন্ন হৈ পৰে। কেতিয়াবা মূল শব্দৰ অৰ্থৰ অৱনতি ঘটে, কেতিয়াবা উন্নতি ঘটে। যেনে— সংস্কৃত 'অৱদান' শব্দৰ মূল অৰ্থ হৈছে আত্মত্যাগৰ জৰিয়তে কৰা গৌৰৱোজ্জ্বল দান অথবা শোধন, শুদ্ধকৰণ, মহৎকৰ্ম আদি। কিন্তু বৰ্তমান সময়ত অসমীয়া অৱদান শব্দটো 'দান' অৰ্থতহে ব্যৱহাৰ কৰা হয়। যিকোনো দান বা সৰুসুৰা কাৰ্যকো বৰ্তমান অবদান বুলি কোৱা হয়।
- *গৌণাৰ্থৰ প্ৰাধান্য ঃ* সময়ৰ পৰিৱৰ্তনৰ লগে লগে কিছুমান শব্দৰ মুখ্য অৰ্থৰ ঠাইত গৌণ অৰ্থকহে প্রাধান্য দিয়া হয়। ফলত সময়ৰ গতিত অৰ্থৰো পৰিৱৰ্তন হয়। 'অক্ষ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে— নষ্ট নোহোৱা; ইয়াৰপৰাই ব্ৰহ্ম, আত্মা, মোক্ষ আদি অৰ্থৰ উৎপত্তি হৈছে। বৰ্তমান 'অক্ষ' শব্দৰপৰা সৃষ্ট 'আখৰ' শব্দই 'বৰ্ণ' বা 'হৰফ'ক বুজাবলৈ ধৰিলে, ফলস্বৰূপে সম্প্রতি গৌণ অৰ্থইহে প্রাধান্য পালে।
- *সাদৃশ্য ঃ* কেতিয়াবা কোনো শব্দই সূচিত আকৃতি প্রকৃতি আদিৰ সাদৃশ্যত কোনো শব্দ ব্যৱহাৰ কৰিলে শব্দৰ অৰ্থৰ পৰিৱৰ্তন হয়। যেনে— জীৱৰ দৃষ্টিশক্তি থকা চকুৰ সাদৃশ্যত আলু বা কচুৰ গজালি ওলোৱা অংশটোক চকু বুলি কোৱা হয়। ফলত চকু শব্দৰ অৰ্থ পৰিৱৰ্তন হৈ পৰে।
- *লোক-ব্যুৎপত্তি ঃ* লোক -ব্যুৎপত্তি হ'ল কোনো অপৰিচিত শব্দৰ মূল অৰ্থ নাজানি তাৰ কাৰ্যৰ প্ৰতি লক্ষ্য ৰাখি নতুন অৰ্থ আৰোপ কৰা এক পদ্ধতি। কিছুমান বিদেশী শব্দ সৰ্বসাধাৰণৰ মাজত প্রচলিত হৈ পৰাৰ পাছত শব্দবোৰৰ মূল অৰ্থ সম্বন্ধে থকা জ্ঞানৰ অভাৱত সেই শব্দবোৰৰ অৰ্থ সম্পৰ্কে নিজে ধাৰণা কৰি লয় আৰু সাধাৰণতে পৰিচিত শব্দৰ চানেকিত মূল ৰূপটোও নতুনকৈ সাজি উলিয়াই তাত নতুন অৰ্থ আৰোপ কৰা হয়। ইংৰাজী ভাষাৰ 'arm chair' শব্দটোৰ অৰ্থ হ'ল 'বাহু থকা চকী'। যিহেতু ইয়াত বহিলে আৰাম পোৱা যায় সেইবাবে অসমীয়াত ই হ'লগৈ 'আৰামী চকী'।
- *শব্দৰ অৰ্থত এটা তত্ত্বৰ প্ৰমুখতা ঃ* কিছুমান শব্দৰ এটা দিশক প্রাধান্য দি অৰ্থ নিৰ্দ্ধাৰণ

কৰা হয়। যেনে— গান্ধী টুপী বুলি ক'লে কংগ্ৰেছী লোকক বুজা যায়। সেইদৰে জৱাহৰ কোট, ঘৰ-বিভীষণ, ধৰ্ম-যুধিষ্ঠিৰ, ঘৰিয়ালৰ চকুলো আদি শব্দসমূহৰ অৰ্থৰ বোধ জন্মাবলৈ একোটা তত্ত্বৰ আধাৰত বিচাৰ কৰি চাব লগা হয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** শুদ্ধ নে অশুদ্ধ লিখক — "বক্তব্য শুৱলা হ'বৰ বাবে মানুহে ভাষাত অলংকাৰ প্ৰয়োগ কৰে। এনে অলঙ্কাৰ প্ৰয়োগে শব্দৰ অৰ্থৰ পৰিৱৰ্তন ঘটায়।"

.....................................................................................................................

ঐতিহাসিক দৃষ্টিভংগীৰে অৰ্থৰ বিজ্ঞানসন্মত আলোচনা কৰি অৰ্থৰ প্ৰকাৰ, অৰ্থৰ পৰিৱৰ্তন আদি পুঙ্খানুপুঙ্খ বিচাৰ বিশ্লেষণ কৰাৰ দৰেই বৰ্ণনাত্মক দৃষ্টিভংগীৰেও অৰ্থৰ বিশ্লেষণ কৰি শব্দ আৰু বাক্যৰ অৰ্থগত সম্পৰ্কৰ বিচাৰ-বিশ্লেষণ কৰা হয়। শব্দৰ সহাবদ্ধ আৰু ক্ৰমাবদ্ধ সম্পৰ্কৰ মাজেৰে অৰ্থগত সম্পৰ্কৰ বিষয়ে বিশ্লেষণ কৰি শব্দই কেনেদৰে অৰ্থ গ্ৰহণ কৰে আৰু প্ৰকাশ কৰে; সমাৰ্থক শব্দ, বিপৰীতাৰ্থক শব্দ অথবা বহুধা অৰ্থপ্ৰকাশক শব্দৰ আলমত কেনেদৰে শব্দৰ প্ৰকৃত অৰ্থ পাব পাৰি সেই সকলোবোৰ অৰ্থতত্ত্বৰ গঠনাত্মক দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱা হয়। কোনো কোনো ভাষাবিদে এনে বিশ্লেষণক অৰ্থগত উপাদান (Semantics Component) বুলি ক'ব খোজে। তদুপৰি সুৰ বা সুৰলহৰ, বিৰাম আদিয়ে কেনেদৰে বাক্যৰ অৰ্থ নিয়ন্ত্ৰণ কৰে; বক্তা আৰু শ্ৰোতাৰ ভাবৰ সহগামিতাই কেনেকৈ বাক্যৰ অৰ্থ বোধগম্য কৰি তোলে— এইবোৰ বিষয়ো আধুনিক ভাষা-বিজ্ঞানত অৰ্থতত্ত্বই সামৰি ল'ব বিচাৰে।

- **অৰ্থগত সম্পৰ্ক** (Sense relation) ঃ শব্দৰ সহবদ্ধ আৰু ক্ৰমাবদ্ধ গঠনৰ ওপৰত ভিত্তি কৰি অৰ্থগত সম্পৰ্কক মূলতঃ পাঁচটা ভাগত ভাগ কৰিব পাৰি— (ক) একাৰ্থতা (খ) অভ্যন্তৰাৰ্থ (গ) বিপৰীতাৰ্থ (ঘ) বহুধাৰ্থ (ঙ) সমানাৰ্থ।

➢ *একাৰ্থতা (Synonymy)* ঃ কোনো এটা ভাষাত ভিন ভিন শব্দ ব্যৱহাৰ কৰি একে অৰ্থ প্ৰকাশ কৰিলে, অৰ্থাৎ শব্দৰ ভিন্নতা স্বত্ত্বেও ভাব চিত্ৰ বা সূচিত বস্তু এটা হ'লে তাক একাৰ্থতা বোলা হয়। যেনে—

পাহাৰৰ সৌন্দৰ্য বৰ মনোৰম।
পাহাৰৰ সৌন্দৰ্য অতি বিতোপন।
পাহাৰৰ সৌন্দৰ্য অতি চকুত লগা।

বাক্যকেইটাৰ মনোৰম, বিতোপন, চকুত লগা শব্দকেইটা আক্ষৰিকভাৱে বেলেগ বেলেগ কিন্তু অৰ্থগতভাৱে প্ৰায় অভিন্ন বা একাৰ্থক। বাক্যকেইটাৰ উল্লিখিত শব্দকেইটাৰ এটাৰ ঠাইত আনটো প্ৰয়োগ কৰিলেও অৰ্থৰ হেৰফেৰ নহয়।

➢ *অভ্যন্তৰাৰ্থ (Hyponymy)* ঃ কোনো এটা ভাষাত ব্যৱহৃত একোটা শব্দৰ মাজত

ব্যাপক অৰ্থত বাস্তৱ জগতৰ অন্যান্য অৰ্থযুক্ত ভালেমান বস্তু বা শব্দ সোমাই থাকিলে তাক অভ্যন্তৰাৰ্থ বোলা হয়। অৰ্থাৎ ব্যাপক অৰ্থবাচক শব্দৰ আংশিক অৰ্থ বহন কৰিবপৰা শব্দ ব্যাপক অৰ্থবাচক শব্দৰ অভ্যন্তৰাৰ্থ। যেনে— 'কন্দা' বুলি ক'লে তাৰ মাজত উচুপা, ফেকুৰা, চলচলীয়া, হুকহুকা আদি কন্দাৰ বিবিধ ধৰণ সোমাই থাকে।

- *বিপৰীতাৰ্থ (Antonymy)* ঃ কোনো বিষয়ৰ আকৃতি, প্ৰকৃতি, অৱস্থা, গুণ, পৰিমাণ আদি বুজোৱা কোনো শব্দৰ ভাব বা তাৰ অৰ্থ আৰু তাৰ ঠিক বিপৰীত অৱস্থাৰ ভাব বা অৰ্থ প্ৰকাশ কৰা শব্দৰ অৰ্থ সম্বন্ধক বিপৰীতাৰ্থ বোলা হয়। যেনে— আকৃতিবাচক অৰ্থ প্ৰকাশক সৰু-ডাঙৰ, দীঘল-চুটি; গুণবাচক অৰ্থ প্ৰকাশক ভাল-বেয়া; পৰিমাণবাচক অৰ্থপ্ৰকাশক কম-বেছি; প্ৰাণীৰ পুৰুষ লিংগ প্ৰকাশক শব্দ 'মতা' শব্দৰ বিপৰীত অৰ্থ স্ত্ৰীলিংগ প্ৰকাশক শব্দ 'মাইকী' আদি শব্দৰ সম্পৰ্ক বিপৰীতাৰ্থক।

  কিছুমান ভাষাত বিপৰীতাৰ্থ ধাৰণা নিৰ্দেশক শব্দবোৰৰ উপৰি ইহঁতৰ মধ্যৱৰ্তী কিছুমান শব্দ পোৱা যায়। যেনে— অসমীয়া ভাষাত গৰমৰ বিপৰীতাৰ্থ প্ৰকাশক শব্দ ঠাণ্ডা। অৰ্থাৎ যি গৰম নহয় সি ঠাণ্ডা; কিন্তু ইয়াৰ মাজত 'কুহুমীয়া' বুলি এটা শব্দ আছে, যাৰ অৰ্থ যি বেছি গৰম অথবা বেছি ঠাণ্ডা নহয়, ইয়াত গৰম আৰু ঠাণ্ডা দুয়োটাৰে কিছু গুণ থাকিব লাগিব। এনেধৰণৰ শব্দবোৰৰ প্ৰতি স্পষ্ট ধাৰণা নাথাকিলে অৰ্থবোধ জন্মাত খেলিমেলিৰ সৃষ্টি হ'ব পাৰে। অৰ্থতত্ত্বই শব্দৰ এনে দিশসমূহো বিশ্লেষণ কৰি শব্দৰ প্ৰকৃত অৰ্থ সম্পৰ্কে বক্তা আৰু শ্ৰোতাক সচেতন কৰি তোলে।

- *বহুধা অৰ্থ (Polysemy)* ঃ ভাষাত ব্যৱহৃত কিছুমান এনে শব্দ থাকে, যিবোৰ শব্দই এটাতকৈ অধিক অৰ্থ প্ৰকাশ কৰিব পাৰে। একোটা শব্দই এনেদৰে ভিন্ন অৰ্থ প্ৰকাশ কৰিলে অৰ্থসমূহৰ মাজত স্থাপন হোৱা সম্পৰ্কটোক বহুধাৰ্থ বুলি কোৱা হয়। বহুধা অৰ্থ বা নানাৰ্থযুক্ত শব্দৰ যথোপযুক্ত অৰ্থ নিৰূপণ কৰিবলৈ হ'লে বাক্যত ব্যৱহাৰ হোৱা অন্যান্য শব্দৰ সান্নিধ্য, অন্যান্য শব্দৰ অৰ্থসংগতি, বাক্য গঠনৰ ব্যাকৰণগত ৰূপ, প্ৰসংগ সংগতি বিচাৰ আদি দিশৰ ওপৰত লক্ষ্য ৰাখিবলগীয়া হয়। উদাহৰণস্বৰূপে— অসমীয়া ভাষাৰ 'আই' শব্দই কেতিয়াবা মাকক বুজায়, কেতিয়াবা কন্যা, কেতিয়াবা মহিলা, কেতিয়াবা এবিধ বেমাৰক বুজায়। এনে অৰ্থই হৈছে শব্দৰ বহুধা অৰ্থ।

- *সমানাৰ্থ (Homosemy)* ঃ যেতিয়া কোনো এটা শব্দৰ ভাব বা অৰ্থই অন্য এটা শব্দৰ ভাব অৰ্থক সম্পূৰ্ণভাৱে চিত্ৰিত কৰিব পাৰে তেতিয়া শব্দ দুটাৰ অৰ্থৰ মাজত সমাৰ্থতা স্থাপন হয়। *সমানাৰ্থক* শব্দবোৰ বাক্যত এটাৰ সলনি আন এটা প্ৰয়োগ কৰিলেও বাক্যটোৰ অৰ্থৰ কোনো সালসলনি নঘটে। যেনে— 'লোণ' শব্দৰ লগত সমাৰ্থক সম্পৰ্ক থকা শব্দ হ'ল 'নিমখ' 'লৱন' আদি। ইয়াত ইটোৰ সলনি সিটো প্ৰয়োগ কৰাত একো অসুবিধা নাই; কিন্তু কিছুমান শব্দ ওপৰে ওপৰে চালে সমাৰ্থবাচক শব্দ যেন লাগিলেও প্ৰকৃতাৰ্থত সেইবোৰ সম্পূৰ্ণ সমাৰ্থবাচক শব্দ নহয়। এনে শব্দ কিছুমান বাক্যত ব্যৱহাৰ কৰোঁতে এটাৰ ঠাইত অন্য এটা প্ৰয়োগ কৰিব নোৱাৰি। অসমীয়া ভাষাৰ

বিতোপন-ধুনীয়া, দ-গভীৰ, দেখা-চোৱা, তপত-গৰম, চেঁচা-ঠাণ্ডা আদি শব্দসমূহ সমানাৰ্থ যেন লাগিলেও প্ৰকৃতাৰ্থত সমানাৰ্থ নহয়। ইহঁতক সকলো পৰিৱেশত এটাৰ ঠাইত অন্যটোক বহুৱাব নোৱাৰি। এইবোৰ দিশলৈ লক্ষ্য ৰাখি ‘সমানাৰ্থ’ক দুটা ভাগত ভগাব পাৰি— ঠেক বা প্ৰকৃত অৰ্থত (strict sense) আৰু বহল বা শিথিল অৰ্থত (looser interpreation)। ঠেক অৰ্থত একে অৰ্থবাচক দুটা ৰূপ সম্পূৰ্ণ একে। শিথিল অৰ্থত প্ৰায় একে অৰ্থবাচক ৰূপবোৰ লোৱা হয়।

উল্লিখিত ভাগকেইটাৰ উপৰি আধুনিক ভাষাবিজ্ঞানীসকলে অৰ্থগত সম্পৰ্কৰ আৰু এটা ভাগ কৰিছে, যাক চিৰাচৰিত সম্পৰ্ক (Collocation) আখ্যা দিয়া হৈছে। কিছুমান শব্দৰ লগত কিছুমান শব্দৰ সংযোগ একোটা ভাষাৰ স্বকীয় বৈশিষ্ট্য। মাতৃভাষী লোকে অভ্যাসবশতঃ এনে শব্দ প্ৰয়োগ কৰে আৰু শব্দৰ এনেধৰণৰ সম্পৰ্ককে চিৰাচৰিত সম্পৰ্ক বুলি কোৱা হয়। অসমীয়া ভাষাত ব্যৱহৃত এনে কিছুমান শব্দ হৈছে—

অগ্নি-শৰ্মা— (অত্যন্ত খং উঠা), অগ্নি-হাজৰিকা নহয়।

জোন-বাই— জোন মাহী বা জোন ভণ্টি নহয়।

কপাল নাই— (ভাগ্য নাই), মূৰ নাই, কাণ নাই নহয় আদি।

- **অৰ্থৰ উপাদান ঃ** অৰ্থতত্ত্বৰ বিজ্ঞানসন্মত আলোচনাৰ গুৰি ধৰোঁতা ভাষাবিজ্ঞানী Bierwisch Manfred-এ উল্লেখ কৰিছে যে শব্দৰ অৰ্থত প্ৰধানকৈ দুটা উপাদান নিহিত থাকে— অৰ্থগত উপাদান (Semantic Component) আৰু সম্পৰ্কগত উপাদান (Relational Component)।

  ➢ *অৰ্থগত উপাদান ঃ* বক্তাই কোনো শব্দ উচ্চাৰণ কৰাৰ লগে লগে শ্ৰোতাৰ কাণত সেই শব্দই ক্ৰিয়া কৰে আৰু তাৰ প্ৰতিক্ৰিয়া স্বৰূপে শ্ৰোতাৰ মনত এখন ভাবচিত্ৰ বা এক ধাৰণা গঢ় লৈ উঠে। অৱশ্যে বক্তাৰ ভাষা আৰু বিষয় সম্পৰ্কে শ্ৰোতাৰ পূৰ্বজ্ঞান থাকিলেহে তেনে ভাবচিত্ৰ বা ধাৰণাৰ উদয় হয়। সেই চিত্ৰ বা ধাৰণাই বাহ্য জগতৰ বিষয়বস্তু বা কোনো প্ৰাণীৰ লগত সম্পৰ্ক স্থাপন কৰে, যাক অৰ্থ বুলি কোৱা হয়।

  বক্তাই বাক্যত প্ৰয়োগ কৰা শব্দসমূহৰ অৱস্থা, গুণ, ধৰ্ম, বয়স অনুযায়ী শ্ৰোতাই তাক হৃদয়ংগম কৰি লয়। উদাহৰণস্বৰূপে— ‘ঘৰ’ বুলি ক’লে শ্ৰোতাৰ মনত যিখন চিত্ৰৰ উদয় হ’ব ‘জুপুৰী’ বুলি কওঁতে একেখন ছবি মনৰ মাজত উদয় নহয়। ইয়াৰ মূল কাৰণ হ’ল ‘ঘৰ’ৰ মাজত অন্তৰ্নিহিত হৈ থকা যিবোৰ নিৰ্ণায়ক গুণ, সেইবোৰ জুপুৰীৰ নিৰ্ণায়ক গুণৰ লগত একে নহয়। গতিকে শব্দৰ মাজত উপলব্ধ এনে নিৰ্ণায়ক গুণবোৰেই হ’ল শব্দৰ অৰ্থগত উপাদান। সেইদৰে ‘ল’ৰা’ শব্দটো শুনাৰ লগে লগে কেইটামান বৈশিষ্ট্যৰ কথা জানিবলগীয়া হয়, সেইকেইটা হৈছে— ই প্ৰাণীবাচক শব্দ, যিকোনো প্ৰাণী নহয়, ভাব, জ্ঞানসম্পন্ন মানুহ শ্ৰেণীৰ প্ৰাণী, ই পুংলিঙ্গবাচক, কম বয়সীয়া, বক্তাতকৈ বয়সত সৰু আদি বৈশিষ্ট্যবোৰ শব্দৰ অৰ্থগত উপাদান।

বাস্তৱ সত্যতাৰ ওপৰত ভিত্তি কৰিহে উচ্চাৰিত শব্দ বা বাক্যৰ অৰ্থ বা বক্তব্য সঁচা বা মিছা সেয়া নিৰ্ণীত হয়। যেনে— 'আকাশ নীলা'। যদি আকাশ মেঘাচ্ছন্ন হৈ নাথাকে তেতিয়াহে আকাশৰ নীলা ৰং সকলোৰে চকুত পৰে। এই ক্ষেত্ৰত 'নীলা' আকাশখনৰ এটা বৈশিষ্ট্য; কিন্তু মেঘাচ্ছন্ন আকাশ কেতিয়াও নীলা নহয়। তথাপি আকাশ ৰঙা বা ক'লা বুলি ক'লে সেয়া বাস্তৱ সত্য নহয়। আকাশৰ নীলা ৰঙৰ ধাৰণাই শব্দৰ অৰ্থগত উপাদান।

➤ *সম্পৰ্কগত উপাদান ঃ* ভাষাত ব্যৱহৃত শব্দসমূহৰ অৰ্থ পৰস্পৰ নিৰ্ভৰশীল। অৰ্থাৎ এটা শব্দৰ অৰ্থ বা ভাবে অন্য কিছুমান শব্দ সম্পৰ্কেও মনৰ মাজত এক ধাৰণা বা এখন ভাবচিত্ৰ আনি দিয়ে। উদাহৰণস্বৰূপে— 'গছ' বুলি কোৱাৰ লগে লগে গছৰ লগত জড়িত শব্দবোৰ যেনে— শিপা, আলু, পুলি, পোখা, পাত, ডাল, ছাল, ফল, ফুল, লতা, গুল্ম, বৃক্ষ আদি শব্দৰ অৰ্থও জানিব লাগিব । ফলত দেখা যায়, আপোনা আপুনি এটা শব্দৰ অৰ্থৰ লগত আন কিছুমান শব্দৰ অৰ্থ সম্পৰ্ক যুক্ত হৈ পৰে। এনেধৰণৰ সম্পৰ্কযুক্ত শব্দবোৰৰ সমষ্টিয়ে একোখন অৰ্থগত ক্ষেত্ৰ (Semantic field) গঢ়ি তোলে। সেইদৰে 'জন্তু' বুলি ক'লে দুঠেঙীয়া, চাৰিঠেঙীয়া, ঘৰচীয়া, বনৰীয়া, তৃণভোজী, মাংসভোজী, সৰ্বভোজী, নিশাচৰ আদি শব্দসমূহৰ উপৰিও বিভিন্ন প্ৰকাৰৰ জন্তুৰ নাম তথা সিবিলাকৰ লগত সম্পৰ্কজড়িত শব্দবোৰৰ অৰ্থগত সম্পৰ্কই হ'ল অৰ্থগত ক্ষেত্ৰ বা সম্পৰ্কগত উপাদান। সেইদৰে বিশেষ্য আৰু ক্ৰিয়াপদৰ মাজতো কিছুমান সম্বন্ধ থাকে। লিখা, ভবা, নচা আদি ক্ৰিয়াই প্ৰাণীবাচক পদকহে (মানুহ) কৰ্তা হিচাপে লয়। সেইদৰে 'গৰজা' এটা ক্ৰিয়া ৰূপ। মানুহ, জন্তু আৰু অপ্ৰাণীবাচক বস্তু বুজোৱা কিছুমান বিশেষ পদহে এই ক্ৰিয়াৰূপৰ কৰ্তা হিচাপে বহে। যেনে— মানুহজনে গৰজিছে, বাঘে গৰজে, মেঘে গৰজে, সাগৰে গৰজে আদি। অৰ্থাৎ বাক্যত ব্যৱহৃত শব্দবোৰ অৰ্থৰ ক্ষেত্ৰত পৰস্পৰে পৰস্পৰৰ লগত সংপৃক্ত। অৰ্থতত্ত্বৰ বিচাৰ বিশ্লেষণে এনেধৰণৰ সম্বন্ধক সামৰি লয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৬ ঃ** বহুধাৰ্থ কাক কোৱা হয়?

..........................................................................................

**প্ৰশ্ন নং ৭ ঃ** ভাষাবিজ্ঞানী Bierwisch Manfred মতে শব্দৰ অৰ্থত প্ৰধানকৈ কেইটা আৰু কি কি উপাদান নিহিত থাকে?

..........................................................................................

..........................................................................................



## ১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰ্থবিজ্ঞান বা অৰ্থতত্ত্ব ভাষা-বিজ্ঞান অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ স্তৰ। অৰ্থতত্ত্বৰ আলোচনাতো মানুহে ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰা বাক্যৰ অৰ্থ আৰু তাত প্ৰয়োগ কৰা শব্দৰ প্ৰসঙ্গ অনুযায়ী হোৱা বিভিন্ন অৰ্থৰ বিজ্ঞানসন্মত বিশ্লেষণ কৰা হয়। ইয়াকে কৰিবলৈ যাওঁতে ভাষাবিজ্ঞানীসকলে অৰ্থৰ অৰ্থ (the meaning of meaning), ভাব বিনিময়ৰ বিভিন্ন প্ৰণালীসমূহ সামৰি লয়।
- সাধাৰণতে দুটা দৃষ্টিভংগীৰে অৰ্থৰ বিশ্লেষণ কৰা হয়— (ক) ঐতিহাসিক আৰু (খ) বৰ্ণনাত্মক বা গঠনাত্মক। ঐতিহাসিক দৃষ্টিভংগীৰে শব্দৰ অৰ্থৰ বিশ্লেষণ কৰোঁতে ঘাইকৈ অৰ্থৰ সংজ্ঞাৰ লগতে অৰ্থৰ প্ৰকাৰ, সময়ে সময়ে হোৱা অৰ্থৰ পৰিৱৰ্তন, অৰ্থ পৰিৱৰ্তনৰ অন্তৰালত থকা বিভিন্ন কাৰণ, নতুন শব্দৰ সৃষ্টি আদি বিষয়সমূহ ঐতিহাসিক প্ৰেক্ষাপটত বিচাৰ কৰি চোৱা হয়। অধ্যায়টিত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।
- বৰ্ণনাত্মক দৃষ্টিভংগীৰেও অৰ্থৰ বিশ্লেষণ কৰি শব্দ আৰু বাক্যৰ অৰ্থগত সম্পৰ্কৰ বিচাৰ-বিশ্লেষণ কৰা হয়। শব্দৰ সহবদ্ধ আৰু ক্ৰমাবদ্ধ সম্পৰ্কৰ মাজেৰে অৰ্থগত সম্পৰ্কৰ বিষয়ে বিশ্লেষণ কৰি শব্দই কেনেদৰে অৰ্থ গ্ৰহণ কৰে আৰু প্ৰকাশ কৰে; সমাৰ্থক শব্দ, বিপৰীতাৰ্থক শব্দ অথবা বহুধা অৰ্থপ্ৰকাশক শব্দৰ আলমত কেনেদৰে শব্দৰ প্ৰকৃত অৰ্থ পাব পাৰি সেই সকলোবোৰ অৰ্থতত্ত্বৰ গঠনাত্মক দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱা হয়। অধ্যায়টিত এই বিষয়েও বহলাই আলোচনা দাঙি ধৰা হ'ল।



## ১২.৫ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ**


১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) কোঁৱৰ, অৰ্পণা (২০০৮); *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৫); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৯); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।